প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## বিটিএডিত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণ সম্পৰ্কত পৰ্যালোচনা সভা

# এমজিএনৰেগাত ব্যক্তিগত হিতাধিকাৰী আঁচনি গ্ৰহণত গুৰুত্ব মন্ত্ৰী দলেৰ

**গুৱাহাটী, ২২ মে'ঃ** "কোভিড-১৯ মহামাৰীয়ে কঢ়িয়াই অনা প্ৰত্যাহবান নেওচি আমি ৰাজ্যৰ গ্ৰামাঞ্চলৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰি ৰখাৰ বাবে নিয়মানুৱৰ্তীতা বজাই ৰাখি গ্ৰাম্য দুখীয়া জনসাধাৰণৰ উন্নয়নৰ বাবে সহৃদয়তাৰে কাম কৰিব লাগিব আৰু এমজিএনৰেগাৰ অধীনত কাম কৰিব বিচৰা সকলো লোককে মজুৰি ভিত্তিক কৰ্মসংস্থাপনেৰে উপকৃত কৰিব লাগিব "—পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্তৰ সভাকক্ষত বিটিএডিত গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণ সম্পৰ্কত আলোচনা কৰিবলৈ আজি অনুষ্ঠিত হোৱা পৰ্যালোচনা সভাত উপস্থিত থকা বিটিএডিৰ সকলো ক্ষেত্ৰীয় বিষয়াক উদ্দেশ্যি বিভাগীয় মন্ত্ৰী নৰ কুমাৰ দলেয়ে এইদৰে কয়। বিটিএডি অঞ্চলত গ্ৰামোন্নয়ন আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত যথেষ্ট কৰণীয় আছে বুলি উল্লেখ কৰি এমজিএনৰেগা ৰূপায়ণ কৰোতে চৰকাৰী নিৰ্দেশনা সম্পূৰ্ণৰূপে মানি চলিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। বিশেষকৈ চৰকাৰী নীতি মতে বছৰত প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ বাবে ৬৫ শতাংশ আৰু কৃষিভিত্তিক কামৰ বাবে ৬০ শতাংশ আঁচনি লোৱাৰ উপৰি সময়মতে কাম দিয়াৰ লগতে সময়মতে মজুৰি প্ৰদানো নিশ্চিত কৰিবলৈ তেওঁ আহ্বান জনায়। তদুপৰি জব কাৰ্ড বিচৰাসকলক ৭ দিনৰ ভিতৰত জব কাৰ্ড প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দি অন্যান্য ইচ্ছুক লোকসকলৰ লগতে বৰ্তমান প্ৰতিকূল পৰিস্থিতিৰ বাবে নিজ গাঁৱলৈ উভতি অহা ইচ্ছুক লোকসকলকো এমজিএনৰেগাৰ অধীনত কাম দিয়াটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। আৰু এই ক্ষেত্ৰত ব্যক্তিগত হিতাধিকাৰী আঁচনি ল'বলৈও তেওঁ আহ্বান জনায় যাতে দুখীয়া লোকৰ দীৰ্ঘস্থায়ী জীৱিকা অৰ্জনত সহায় হয়।

আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ নিৰ্মীয়মান গৃহসমূহৰ কাম অহা ৩০ জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ভূমিহীনসকলৰ বাবে প্ৰয়োজনত গোটভিত্তিত (Cluster) ঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। তদুপৰি এই আঁচনিৰ হিতাধিকাৰীসকলে পাবলগীয়া ৯৫ দিনৰ মজুৰি সময়মতে আদায় দিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিত সকলো উপযুক্ত লোকক অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিয়ানৰ আত্মসহায়ক গোটসমূহৰ বেংক একাউণ্টসমূহ তৎকালীনভাৱে খোলাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ পৰ্যালোচনা সভাত বিটিএডিৰ চাৰিখন জিলাৰ বিভাগীয় বিষয়াসকলৰ উপৰি অসম চৰকাৰৰ মন্ত্ৰী ক্ৰমে চন্দন ব্ৰহ্ম, ৰিহন দৈমাৰী আৰু ভৱেশ কলিতাৰ লগতে বিটিএডিৰ অন্তৰ্গত বিধানসভা সমষ্টিৰ বিধায়ক ক্ৰমে মাজেন্দ্ৰ নাৰ্জাৰী, ৰবিৰাম নাৰ্জাৰী, কমলসিং নাৰ্জাৰী, মনেশ্বৰ ব্ৰহ্ম, থানেশ্বৰ বসুমতাৰী আৰু চৰণ বড়োও উপস্থিত থাকে। আৰু পৰ্যলোচনা সভাত উন্মোচিত হোৱা অসুবিধাসমূহ দূৰীকৰণত বিশেষ উদ্যোগ গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে।

সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাকে ধৰি বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়া সকলৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলো উপস্থিত থাকে।

*এম আৰ ডি/২২-০৫-২০২০*

## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণ সম্পৰ্কীয় তথ্য

ভাৰত চৰকাৰৰ নিৰ্দেশনা অনুসৰি প্ৰয়োজনীয় সামাজিক দূৰত্বৰ নীতি মানি চলি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি এমজিএনৰেগা, পিএমএৱাই-জি আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰ অধীনত কাম আৰম্ভ কৰা হৈছে।

এমজিএনৰেগাৰ অধীনত চলিত বৰ্ষত (২০২০-২১) ভাৰত চৰকাৰে অসমৰ বাবে মজুৰি শিতানত ৬.৫০ কোটিৰ অনুমোদন কৰিছিল।

এতিয়া সমগ্ৰ দেশৰ বাবে এমজিএনৰেগাত ৪০ হাজাৰ কোটি টকা অতিৰিক্ত বাজেট ঘোষণা কৰিছে। গতিকে অসমেও আৰু অধিক পুঁজি লাভ কৰিব।

এমজিএনৰেগাৰ ক্ষেত্ৰত জলসিঞ্চন আৰু জল সংৰক্ষণ প্ৰকল্পৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ উপৰি ব্যক্তিগত সম্পদ সৃষ্টিত বিশেষ গুৰুত্ব দিয়া হৈছে যাতে ইয়াৰ জৰিয়তে দুখীয়া পৰিয়াল একোটিৰ জীৱিকাৰ সুৰক্ষা প্ৰদান কৰি বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰাৰ লগতে ভৱিষ্যতলৈ সহায় হয়।

ইয়াৰ ভিতৰত ভূমি উন্নয়ন প্ৰকল্প, উদ্যান শস্য, ৰেচম শিল্পকে ধৰি গছপুলি ৰোপণ, পশুপালন গৃহ নিৰ্মাণ, সংহত মৎস উৎপাদন পুখুৰী, ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প, কেঁচুসাৰ প্ৰকল্প, শৌচাগাৰ আদিত বিশেষ গুৰুত্ব দিয়া হৈছে।

**লক্ ডাউন শিথিল কৰাৰ পিছত এতিয়ালৈ ৪ লাখ ৫১ হাজাৰ পৰিয়ালে কাম বিচৰাৰ বিপৰীতে ৪ লাখ ৪৯ হাজাৰ পৰিয়ালক মজুৰি ভিত্তিক কাম দিয়া** হৈছে আৰু **১৯ লাখ ৯৩ হাজাৰ কৰ্মদিন সৃষ্টি কৰা হৈছে ।**

এই সময়ছোৱাত **৪৩.৯৩ কোটি টকা মজুৰি আদায় দিয়া হৈছে।**

এমজিএনৰেগাৰ **মজুৰি** পূৰ্বৰ ১৯৩ টকাৰ পৰা এতিয়া **২১৩ টকালৈ বৃদ্ধি কৰা হৈছে।**

আইনমতে জব কাৰ্ডৰ অধীনত একোটা পৰিয়ালক ১০০ দিনৰ অধিক কাম দিব পাৰি । এই এশদিন কাম কৰিবলৈ ইচ্ছুক ব্যক্তিয়ে নিজৰ পঞ্চায়তত আবেদন কৰিব লাগে।

আনহাতে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত গাঁওপঞ্চায়তসমূহত বৰ্তমানেও জমা থকা ২৪০৮.৪৯ কোটি টকাৰ পুঁজিৰে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ পৰিকল্পনা কৰি অহা তিনিমাহৰ ভিতৰত এই পুঁজি ব্যৱহাৰ কৰিবলৈ নিৰ্দেশনা দিয়া হৈছে।

তদুপলকডাউন শিথিল কৰাৰ পিছত **পিএমএৱাই-জিৰ অধীনত আৱাস গৃহ নিৰ্মাণৰ কাম পুনৰ আৰম্ভ কৰি বৰ্তমানলৈ ১১,৫৬৫ টা ঘৰ সম্পূৰ্ণ কৰা হৈছে।**

এনে ঘৰ নিৰ্মাণ কৰোতে হিতাধিকাৰীয়ে নিজৰ ঘৰ নিৰ্মাণ কাৰ্যত শ্ৰমদান কৰি এমজিএনৰেগাৰ অধীনত লাভ কৰিবলগীয়া ৯৫ দিনৰ মজুৰি লাভ কৰে।

**প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ অধীনত ঘোষণা কৰা এক হাজাৰ টকীয়া অৰ্থ সাহায্যৰ প্ৰথম কিস্তিৰ ৫০০ টকাকৈ ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি**ৰ অধীনত বৃদ্ধ, বিধৱা আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে থকা পেন্সন আঁচনিৰ মুঠ **৮,৫১,৬৪১গৰাকী হিতাধিকাৰীক তেওঁলোকৰ বেংক একাউণ্টত পোনপটীয়াকৈ প্ৰদান** কৰা হৈছে।

অসমৰ গাঁও পঞ্চায়তসমূহত **খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা দুখীয়া পৰিয়ালসমূহক** কিছু সকাহ দিবলৈ **চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰে ১,০০০ টকাকৈ নগদ ধন প্ৰদান** কৰা হৈছে আৰু বৰ্তমানলৈ **৪,১৬,৫৭১ টা পৰিয়াল ইয়াৰ দ্বাৰা উপকৃত** হৈছে।

আনহাতে ৰাষ্ট্ৰীয় বিধৱা পেন্সনৰ পৰা বাদ পৰি যোৱা বিধৱা মহিলাসকলক মাহে ৩০০ টকাকৈ পেন্সন দিয়াৰ অৰ্থে নতুনকৈ **ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিখন যোৱা ৩ এপ্ৰিলত মুকলি কৰি ১,৪৩,৩১৮ গৰাকী ১৮ ৰ পৰা ৫৯ বছৰ বয়সৰ বিধৱা মহিলাক কিছু সকাহ দিয়াৰ অৰ্থে এপ্ৰিলৰ পৰা জুলাই মাহলৈকে একেলগে চাৰিমাহৰ পেন্সন ১,২০০ টকাকৈ আদায় দিয়া হৈছে।**

**অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান**ৰ অধীনত **বৰ্তমানলৈ ৫,৬৩০ টা আত্মসহায়ক গোটৰ ১১,৩০২ গৰাকী সদস্যাই ৬২ লাখ ১৭ হাজাৰ ৮৭৬ টা মাস্ক প্ৰস্তুত কৰি উলিয়াইছে। ইয়াৰে ৪৩ লাখ ০১ হাজাৰ ৬৮৩ টা মাস্ক বিক্ৰী কৰি ৯৯১.৩৫ লাখ টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে ৫ লাখ ৬ হাজাৰ ১০৭ টা মাস্ক বিনামূলীয়াকৈও বিতৰণ কৰা হৈছে।**

ইয়াৰ উপৰি **আত্মসহায়ক গোটৰ প্ৰায় ৭৬,২৬০ গৰাকী সদস্যাই এই লক্ ডাউনৰ সময়ছোৱাত নিজে উৎপাদন কৰা খাদ্য সামগ্ৰী বিক্ৰীৰ জৰিয়তে ৭.৮৭ কোটি টকাৰ ব্যৱসায় কৰি নিজে লাভান্বিত হোৱাৰ লগতে লক্ ডাউনৰ প্ৰতিকূল পৰিস্থিতিত জনসাধাৰণে নিজৰ ঘৰৰ দুৱাৰ মুখতে লাগতীয়াল সামগ্ৰীসমূহ পোৱাটো সুনিশ্চিত কৰিছে।**

০০০


HON'BLE MLA


HON'BLE

